# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-05-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

পঞ্চায়তৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ আজি বিয়লি চাৰে ৪ বজাত সামৰণি পৰে। দ্বিতীয় পৰ্যায়ত পৰহিলৈ ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং জিলাত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত ৯১ লাখ ৩১ হাজাৰ ১২৭ গৰাকী ভোটদাতাই ২৯ হাজাৰ ৬০৮ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। এই নিৰ্বাচনৰ বাবে মুঠ ১২ হাজাৰ ১৩০টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে।

দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন শান্তিপূৰ্ণ আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ বাবে আজি ৰাজ্যিক নিৰ্বাচন আয়ুক্তই ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে গৃহ বিভাগৰ আৰক্ষী সঞ্চালকপ্ৰধান, গুৱাহাটী মহানগৰীৰ আৰক্ষী আয়ুক্তকে ধৰি সংশ্লিষ্ট জিলাসমূহৰ আয়ুক্তসকলৰ সৈতে আলোচনাত মিলিত হয়।

ইপিনে প্ৰচাৰ অভিযানৰ আজি অন্তিম দিনা বিভিন্ন ৰাজনৈতিক দলে ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলায়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, সাংসদ প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইন, গৌৰৱ গগৈ, বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াইও কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ছয়গাঁও মিনি ষ্টেডিয়ামত অগপ, বিজেপি আৰু ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ লগতে বজালী বিধানসভা সমষ্টিত বিজেপি আৰু অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিত্যানন্দ হাইস্কুল খেলপথাৰত আয়োজিত বিশাল বিজয় সংকল্প সমাৱেশত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই আজি জাগীৰোডৰ ৰেলীত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ কথা উল্লেখ কৰি গ্ৰামাঞ্চলৰ উন্নয়ন সুনিশ্চিতকৰণৰ বাবে পঞ্চায়ত নিৰ্বাচনত বিজেপিক সমৰ্থন কৰিবলৈ আহ্বান জনায়। মন্ত্ৰী পীযূষ হাজৰিকাই আজি পঞ্চায়ত নিৰ্বাচন উপলক্ষে কামৰূপ মহানগৰ আৰু ডিমৰীয়া মণ্ডল সমিতিৰ উদ্যোগত দুৰুঙত আয়োজিত বিজয় সংকল্প সমাৱেশত অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে আজি ডিমৰীয়া আৰু চন্দ্ৰপুৰত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ চলায়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি প্ৰচাৰৰ শেষ দিনটোত বঙাইগাঁও জিলাত নিৰ্বাচনী সভাত অংশ লয়। ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে চামগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত ভকতগাঁও জিলা পৰিষদত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা ৰেলীত অংশগ্ৰহণ কৰে।

গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত আজি ভিন ভিন ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলে নিৰ্বাচনী সভা, পদযাত্ৰা, বাইক ৰেলী আদিৰে ভোটদাতাসকলক আকৰ্ষণ কৰাৰ চেষ্টা চলায়। জিলাখনত পঞ্চায়ত নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। আমাৰ সংবাদদাতাই জনোৱা মতে গোৱালপাৰা জিলাত স্থাপন কৰিবলগীয়া মুঠ ৯৫৫টা ভোটগ্ৰহণ কেন্দ্ৰৰ ৩০টা মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। জিলাখনৰ মুঠ ১৬টা জিলা পৰিষদীয় সমষ্টিৰ দুটাত বিনা প্ৰতিদ্বন্দ্বিতা প্ৰাৰ্থী নিৰ্বাচিত হোৱাত বাকী থকা ১৪টা সমষ্টিৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooooo

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ ম'হঘূলি চাপৰিৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশত অহা ৯ মে'ৰ পৰা তিনি দিনীয়াকৈ ঐতিহ্যমণ্ডিত ফাট বিহু পালন কৰা হ'ব। ৯ মে'ৰ পুৱা ফাট বিহু সমিতিৰ সভাপতি বসন্ত শইকীয়াই পতাকা উত্তোলনেৰে বিহু পালনৰ শুভাৰম্ভ কৰিব। দিনৰভাগত বিহু দলসমূহক মূল তোৰণৰ পৰা ম'হঘূলি চাপৰিলৈ আদৰণি জনোৱা হ'ব। ইয়াৰ পাছতে টকা বিহু প্ৰতিযোগিতা আৰু চেমনীয়া হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দ্বিতীয়া দিনা কপৌ ফুল আৰু গছপুলি ৰোপণ, গামোচা প্ৰতিযোগিতা, পূৰ্ণ বয়স্ক হুঁচৰি প্ৰতিযোগিতা আৰু ফাট বিহুৰ বছৰেকীয়া মুখপত্ৰ **বিহুৱান** উন্মোচন কৰা হ'ব। বিশিষ্ট কবি-সাহিত্যিক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক ড০ কৰবী ডেকা হাজৰিকাই মুখপত্ৰখন উন্মোচন কৰিব। অন্তিম দিনা অৰ্থাৎ ১১ মে'ত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, গছতলৰ মুকলি বিহু প্ৰতিযোগিতা আৰু মুকলি সভা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, সাংসদ-বিধায়ক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

ooooo

ৰাজ্যৰ মিচিং বসতিপ্ৰধান অন্যান্য জিলাৰ লগতে ধেমাজি জিলাটো মিচিং জনগোষ্ঠীয় ছাত্ৰ সংগঠন টাকাম মিচিং পৰিন কেবাং চমুকৈ টি এম পি কে দাবী দিৱস পালন কৰে। ১৯৮৪ চনৰ পৰা প্ৰতি বছৰে আজিৰ দিনটোত জনগোষ্ঠীটোৰ দল-সংগঠনসমূহে এই দিৱস পালন কৰি আহিছে। জনগোষ্ঠীটোৰ অমীমাংসিত ১৪ দফীয়াসমূহ মীমাংসাৰ বাবে এই কাৰ্যসূচী লোৱা হয়। জিলাখনৰ জোনাই আৰু চিলাপথাৰত আজি ছাত্ৰ সংগঠনটোৰ শতাধিক কৰ্মীয়ে মিচিং জনগোষ্ঠীয় অন্য দল-সংগঠনৰ সহযোগত এই দাবী দিৱস পালন কৰে। তেওঁলোকে জিলা আয়ুক্ত আৰু চক্ৰবিষয়াৰ জৰিয়তে দাবী সম্বলিত স্মাৰকপত্ৰ মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰী লৈ প্ৰেৰণ কৰে।

ooooo

তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰত আজিৰে পৰা দুদিনীয়াকৈ সদৌ মৰাণ ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হৈছে। এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মৰাণ জনগোষ্ঠীৰ লোকসকলে অংশ লৈছে। আজি কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছত গ্ৰন্থমেলা মুকলি, অধ্যয়নচক্ৰ, আলোচনা সত্ৰ, মৰাণ ছাত্ৰ সন্থাৰ মুখপত্ৰ গান্ধৈ উন্মোচন, মৰাণঘৰ উন্মোচন আৰু মুকলি সভা অনুষ্ঠিত হয়। হেজাৰ হেজাৰ বিহুৱা-নাচনীয়ে গছ তলৰ বিহু পৰিৱেশন কৰে। দিনৰ ভাগত এহেজাৰ আয়তীয়ে খেৰি পৰিৱেশন কৰে। এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশ লৈ খেৰি পৰিৱেশন আৰু গছ তলৰ বিহুৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

আজি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে বিধায়ক বলিন চেতীয়া, পোনাকন বৰুৱা, পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ন বৰুৱাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কাইলৈ এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুক বৰ্দৌচা সমন্বয় বঁটা প্ৰদান কৰাৰ লগতে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। মৰাণ জনগোষ্ঠীৰ অন্যতম ঐতিহ্যমণ্ডিত ৰাতি বিহুৰ অনুষ্ঠানত কাইলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০

উচ্চতম মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ সন্দৰ্ভত অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ৰাজ্যৰ ১০ খন শিক্ষানুষ্ঠানৰ ৯ গৰাকী অধ্যক্ষ, ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু এগৰাকী বিষয় শিক্ষকক চাকৰিৰ পৰা নিলম্বন কৰিছে। মাধ্যমিক শিক্ষা সঞ্চালকালয়ে প্ৰশ্নকাকত ফাদিলৰ ঘটনাক লৈ শিক্ষককেইগৰাকীলৈ কাৰণ দৰ্শোৱা জাননী জাৰি কৰিছিল আৰু এই ক্ষেত্ৰত সন্তোষজনক উত্তৰ লাভ নকৰাৰ বাবে তেওঁলোকক চাকৰিৰ পৰা নিলম্বন কৰা হয়। সেই অনুসৰি শোণিতপুৰৰ নাৰেংকাটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড০ ৰোহিত চন্দ্ৰ ৰাভা, নগাঁৱৰ পি এম শ্ৰী কঠিয়াতলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সন্ধ্যা বেজবৰুৱা, ধেমাজিৰ বৰদলনি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ কবিতা চুতীয়া, ধেমাজিৰ দুলিমেৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰদীপ কুমাৰ দত্ত, ধেমাজি গাৰ্লছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ চক্ৰৱৰ্তী বৰগোহাঁই, পশ্চিম জোনাই ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ গোপীৰাম দলে, মাজুলীৰ কমলাবাৰী সত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ লীলামণি বৰগোহাঁই, ধুবুৰীৰ লক্ষীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মইনুল হক মণ্ডল, ৰঙিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰদীপ কুমাৰ কলিতা আৰু গোৱালপাৰাৰ বগুৱান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক হিমানী দত্তক নিলম্বন কৰা হৈছে।

০০০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে শিক্ষকসকলৰ বদলিকৰণৰ বাবে অনলাইন আবেদনৰ সময়সীমা ২০ মে'লৈ বৃদ্ধি কৰিছে। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰাথমিক, মাধ্যমিক শিক্ষা সঞ্চালকালয় আৰু সমগ্ৰ শিক্ষাৰ অধীনৰ শিক্ষকসকলে একক অথবা পাৰস্পৰিক বদলিৰ বাবে WWW.HRMSASSAM.IN প'ৰ্টেলৰ জৰিয়তে ২০ মে'ৰ মাজ নিশাপৰ্যন্ত আবেদন কৰিব পাৰিব। এই ক্ষেত্ৰত কোনোধৰণৰ অফলাইন আবেদন পত্ৰ গ্ৰহণ কৰা নহ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০০

সমাপ্ত